# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-9-2026
**Time :** 0755 AM

***Assamese Morning Bulletin***

---

নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা মুঠ ২৫ জন প্ৰাৰ্থীৰ ভিতৰত ৭ জনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। মনোনয়ন নাকচ হোৱা প্ৰাৰ্থীকেইজন হৈছে নিৰ্দলীয় শ্বাহ আলম, প্ৰণৱ কৌশিক, ৰাবুল হক, খলিলুদ্দিন, চামচুল আলম, আৰু চিকন্দৰ আলি তথা জয়প্ৰকাশ জনতা দলৰ পংকজ মৌৰ্য। প্ৰণৱ কৌশিকে আমানতৰ ধন জমা নকৰা বাবে আৰু  বাকীসকলে প্ৰপত্ৰ সম্পূৰ্ণকৈ পূৰ নকৰাৰ বাবে মনোনয়ন পত্ৰ নাকচ হোৱা বুলি ৰিটাৰ্ণিং বিষয়া তথা নগাঁৱৰ জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এটা নিৰ্দেশত উল্লেখ কৰিছে। বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৰামণি বৰা, এ আই ইউ দি এফৰ বদৰুদ্দিন আজমলকে ধৰি মুঠ ১৭ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামৰ মনোনয়ন দলীয় নিস্পত্তিহীন বিবাদৰ বাবে স্থগিত ৰখা হয়। কালি এই সন্দৰ্ভত জিলা প্ৰশাসনে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই আৰু তেওঁৰ মনোনয়ন পত্ৰ অমিমাংসিত হৈ ৰয়। উল্লেখযোগ্য যে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

oooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীত কালি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আজি গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত  সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজক সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে  ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালন কৰিব। স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে প্ৰৱাসী অসমীয়া দেৱজ্যোতি হাজৰিকাৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া কালি সম্পূৰ্ণ কৰে। পাছত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী হাজৰিকাই এইদৰে কয়-

(বাইট)

হাজৰিকাৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া শেষ হোৱাৰ পাছতে আনএজন প্ৰবাসী অসমীয়া জিঅ' লাংছাট নাৰ্জাৰী ফাষ্টট্ৰেক আদালতত হাজিৰ হয় যদিও সময়ৰ অভাৱৰ বাবে কালি নাৰ্জাৰীৰ সাক্ষ্য আৰু অভিযুক্তপক্ষৰ অধিবক্তাৰ দ্বাৰা জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ল। সেই অনুসৰি আজি পুনৰ নাৰ্জাৰীক আদালতত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণ কৰা নাহৰকটীয়া সমষ্টিৰ ১৯৫ গৰাকী শিল্পী আৰু ৯ গৰাকী মূল প্ৰশিক্ষকসহ মুঠ ২০৪ গৰাকী অংশগ্ৰহণকাৰীক কালি আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে এই প্ৰমাণপত্ৰসমূহ প্ৰদান কৰে। উল্লেখযোগ্য যে অসমৰ চহকী লোক সংস্কৃতি, বিশেষকৈ চাহ জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাক বিশ্ব দৰবাৰত পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে ২০২৫ চনৰ ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনী অনুষ্ঠিত কৰা হৈছিল। নাহৰকটীয়াৰ পৰা এই সাংস্কৃতিক যাত্ৰাৰ অংশীদাৰ হোৱা প্ৰতিগৰাকী শিল্পী আৰু প্ৰশিক্ষকক বিধায়ক তৰংগ গগৈয়ে অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০

ডিব্ৰুগড় চহৰলৈ ভাবুকি কঢ়িয়াই অনা ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাই কালি ব্ৰহ্মপুত্ৰ খহনীয়া ৰোধ মঞ্চ আৰু স্থানীয় লোকে ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। শ্ৰী সোণোৱালে এই খহনীয়া ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। তেওঁ লগতে এই সমস্যাৰ বিষয়ে বিভাগীয় মন্ত্ৰী তথা কৰ্তৃপক্ষক অৱগত কৰি বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ আহ্বান জনাব বুলি আশ্বাস দিয়ে।

০০০০০০

**সমাপ্ত**